নিয়মীয়া বাৰ্তা শনিবাৰ, ২৫ ফেব্ৰুৱাৰী ২০২৩



## শৰাইঘাট মহাবিদ্যালয়ত চাইবাৰ সুৰক্ষা বিষয়ক কৰ্মশালাত বিজু পেগু

# আধাৰ-বেংকৰ তথ্য অচিনাকিৰ সৈতে শ্বেয়াৰ কৰিব নালাগে

**চাংসাৰি, ২৪ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ত কালি চাইবাৰ সুৰক্ষা সন্দৰ্ভত সজাগতামূলক কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনৰ আয়োজন হয় ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালক আৰু শৰাইঘাট মহাবিদ্যালয়ৰ আইকিউএচিৰ যৌথ উদ্যোগত। গ্ৰেটিয়া টেকন'লজীৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া বিজু পেগু সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁ চাইবাৰ জগতৰ বিভিন্ন দিশত ব্যৱহাৰিক বক্তৃতা প্ৰদান কৰে। কৰ্মশালাত ১৬০জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলক চাইবাৰ অপৰাধ ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়াত সহায়ক হোৱাকৈ তেওঁ সজাগ হৈ থাকি অপৰাধ যেনে ফিছিং, হেকিং, চাইবাৰ বুলিং, ইণ্টাৰনেটৰ জৰিয়তে ৰেনছমৱেৰ ভাইৰাছ, ট্ৰ'জান ভাইৰাছৰ সজাগতা, ব্যক্তিগত তথ্য যেনে বেংক কাৰ্ডৰ সবিশেষ, আধাৰৰ সবিশেষ আদি



ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত অচিনাকি মানুহৰ লগত শ্বেয়াৰ কৰিব নলগাৰ লগতে বেংকে যে কেতিয়াও অ'টিপি নপঠিয়ায়, কে ৱাই চি আদিৰ বিষয়ে আলোকপাত কৰে। ছাত্ৰ-ছাত্ৰীসকলেও অতি সক্ৰিয়ভাৱে অনুষ্ঠানটোত অংশগ্ৰহণ কৰি তেওঁলোকৰ সকলো সন্দেহক লৈ প্ৰশ্ন উত্থাপন কৰে। অধ্যক্ষ ড° মণি শৰ্মাই পৰিচালকগৰাকীক এনে ক্ৰমবৰ্ধমান আৰু চিন্তনীয় অপৰাধৰ বিষয়ে সকলোকে সজাগ কৰাত শলাগৰ শৰাই আগবঢ়ায়।




গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী শনিবাৰ ২০২৩ পৃষ্ঠা ১০

# শৰাইঘাট মহাবিদ্যালয়ত চাইবাৰ সুৰক্ষা সজাগতা কৰ্মশালা

**চাংসাৰি, ২৪ ফেব্ৰুৱাৰী ঃ** কালি কামৰূপ জিলাৰ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ত চাইবাৰ সুৰক্ষা সন্দৰ্ভত এক দিনজোৰা সজাগতামূলক কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালা অনুষ্ঠিত হয় অসম চৰকাৰৰ অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালক আৰু শৰাইঘাট মহাবিদ্যালয়ৰ আইকিউএচিৰ যৌথ উদ্যোগত। গ্ৰেটিয়া টেকন'লজিৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া বিজু পেগু সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁ চাইবাৰ জগতৰ বিভিন্ন বিষয়ত ব্যৱহাৰিক বক্তৃতা প্ৰদান কৰে। কৰ্মশালাত ১৬০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলো উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলক চাইবাৰ অপৰাধ ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়াত সহায়ক হোৱাকৈ তেওঁ সজাগ হৈ থাকি অপৰাধ যেনে ফিছিং, হেকিং, চাইবাৰ বুলিং, ইণ্টাৰনেটৰ জৰিয়তে ৰেনছমৱেৰ ভাইৰাছ, ট্ৰ'জান ভাইৰাছৰ সজাগতা, ব্যক্তিগত তথ্য যেনে বেংক কাৰ্ডৰ সবিশেষ, আধাৰৰ সবিশেষ আদি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত অচিনাকি মানুহৰ লগত শ্বেয়াৰ কৰিব নালাগে, বেংকে যে কেতিয়াও অ'টিপি নপঠিয়াই, কে ৱাই চি আদিৰ বিষয়ে আলোক পাঠ কৰে। ছাত্ৰ-ছাত্ৰীসকলেও অতি সক্ৰিয়ভাৱে অনুষ্ঠানটোত অংশগ্ৰহণ কৰি তেওঁলোকৰ সকলো সন্দেহৰ ওপৰত প্ৰশ্ন উত্থাপন কৰে।

# WORKSHOP ON CYBER SECURITY AWARENESS ORGANIZED BY DHE, GOVT. OF ASSAM IN COLLABORATION WITH IQAC, SARAIGHAT COLLEGE HELD AT SARAIGHAT COLLEGE ON 23RD FEBRUARY, 2023



## Saraighat College hosts workshop on cyber security

GUWAHATI, Feb 27: An awareness workshop on cyber security was held at Saraighat College in Kamrup district recently. The workshop was organised by the director of higher education in collaboration with the IQAC of Saraighat College, informed a press release.

Biju Pegu, managing director and CEO of Gratia Technology, was the resource person at the workshop. He delivered a lecture on different issues pertaining to the cyber world. Pegu provided information to help students fight against cyber crimes and dwelt on crimes such as phishing, hacking, cyber bullying, ransomeware viruses through the Internet, besides the Trojan virus. He urged the students not to share personal information such as bank account details, Aadhaar details, etc, with unknown people.

More than 160 students were present at the workshop. They asked relevant questions to clear their doubts.

The college principal, Dr Mani Sarma, thanked the resource person for making everyone aware of this worrisome threat.